অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com

প্ৰসংগ ঃ এজবেক /০৯/০৭/২০২৬-২৭
Ref :

তাৰিখ ঃ ১২-০৭-২০২৬
Date :

# অসম জাতীয় বিদ্যালয়ত শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচীৰ সফল সমাপ্তি

**গুৱাহাটী, ১২ জুলাই, ২০২৬ :** বিগত বছৰবোৰৰ দৰে এইবছৰো অসম জাতীয় বিদ্যালয়ত ৭ জুলাই, ২০২৬ ৰ পৰা ১২ জুলাই, ২০২৬ লৈ অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অধীনত সম্পূৰ্ণ ছয়দিনীয়া কাৰ্য্যসূচীৰে শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী অনুষ্ঠিত হয়। এই কাৰ্য্যসূচীত ২৪ খন জিলাৰ সৰ্বমুঠ ৫২৯ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। ৭ জুলাই তাৰিখৰ পৰা ১২ জুলাই তাৰিখলৈ অসম জাতীয় বিদ্যালয়ৰ ইংৰাজী, অসমীয়া, গণিত, বিজ্ঞান, সমাজ বিজ্ঞান বিভাগে দুদিনীয়াকৈ আৰু হিন্দী আৰু সুকুমাৰ কলা বিভাগে এদিনীয়াকৈ প্ৰশিক্ষণ কাৰ্য্য অনুষ্ঠিত কৰে। অসমীয়া বিষয়ৰ প্ৰশিক্ষণ কাৰ্য্যসূচীত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰা ব্যক্তিসমূহ আছিল ক্ৰমে সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা সুৰভি বিকাশ বৰা, ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° লিপিকা তালুকদাৰ, বিশিষ্ট সাহিত্যিক, বিজ্ঞানী, অভিধান প্ৰণেতা ড° দীনেশ চন্দ্ৰ গোস্বামী। অসম জাতীয় বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষক হিমাদ্ৰী বৰা, গায়ত্ৰী শইকীয়া, মানসজ্যোতি শৰ্মা আৰু পলাশ কুমাৰ নাথেও সমল ব্যক্তি হিচাপে কাৰ্য্যসূচীত প্ৰশিক্ষণ প্ৰদান কৰে। একেদৰে ৭ আৰু ৮ জুলাইত অনুষ্ঠিত হোৱা গণিত বিষয়ৰ প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে উপস্থিত থাকে গুৱাহাটী মহাবিদ্যালয়ৰ গণিত বিভাগৰ মুৰব্বী ড° মনোজ কুমাৰ শৰ্মা, তেজপুৰৰ দৰং মহাবিদ্যালয়ৰ গণিত বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° ৰামচৰণ ডেকা, তাৰিণী চৌধুৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ৰাণু বৰগোঁহাই। অসম জাতীয় বিদ্যালয়ৰ বিভাগীয় শিক্ষক বনালী বৰুৱা কাশ্যপ, হিৰণ্য কলিতা আৰু বিদ্যালয়খনৰ অধ্যক্ষ ঘনশ্যাম মেধিয়েও সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে।

৯ আৰু ১০ জুলাইত অনুষ্ঠিত ইংৰাজী বিষয়ৰ প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী ভাষা শিক্ষণ বিভাগৰ সহকাৰী অধ্যাপিকা ড° প্ৰাঞ্জনা কলিতা নাথ, একেটি বিভাগৰ সহকাৰী অধ্যাপিকা ড° নিবেদিতা মালিনী বৰুৱা, একেটি বিভাগৰ সহকাৰী অধ্যাপিকা ড° খামচেং বৰুৱা আৰু বি বৰুৱা কলেজৰ সহযোগী অধ্যাপক ড° অভিজ্ঞান প্ৰসাদ। অসম জাতীয় বিদ্যালয়খনৰ বিভাগীয় শিক্ষক গোপেন বৰ্মন, জ্যোতিৰূপা দাস আৰু ভক্তিমালা শইকীয়াইও সমল ব্যক্তি হিচাপে এই কাৰ্য্যসূচীত প্ৰশিক্ষণ প্ৰদান কৰে। ৯ আৰু ১০ জুলাইত অনুষ্ঠিত সমাজ বিজ্ঞান বিভাগৰ প্ৰশিক্ষণ কাৰ্য্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অৱনী কুমাৰ ভাগৱতী আৰু ভাৰতীয় বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ বিত্তীয় পৰামৰ্শদাতা নীলমণি কলিতা। অসম জাতীয় বিদ্যালয়ৰ বিভাগীয় শিক্ষক অসীম কৃষ্ণ বৰুৱা, প্ৰণীতা দেৱী আৰু তৃষ্ণা গোস্বামীয়েও সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে। বিদ্যালয়খনৰ শৈক্ষিক বিষয়া ৰোহিণী কুমাৰ গোস্বামীয়েও এই কাৰ্য্যসূচীত অংশগ্ৰহণ কৰি সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে।

১১ আৰু ১২ জুলাইত অনুষ্ঠিত বিজ্ঞান বিভাগৰ প্ৰশিক্ষণ কাৰ্য্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকে তেজপুৰ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ কাৰিকৰী বিষয়া ড° কিশোৰ কুমাৰ বৰুৱা। অসম জাতীয় বিদ্যালয়ৰ বিভাগীয় শিক্ষক ৰাণু বুজৰবৰুৱা, বনানি ডেকা আৰু ত্ৰিদীৱ চৌধুৰীয়েও এই কাৰ্য্যসূচীত সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে।

১১ জুলাই তাৰিখে হিন্দী বিভাগৰ প্ৰশিক্ষণ কাৰ্য্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকে গৃহ মন্ত্ৰালয়, ৰাজভাষা বিভাগৰ হিন্দী শিক্ষণ যোজনা কেন্দ্ৰীয় হিন্দী প্ৰশিক্ষণ সংস্থানৰ সহায়ক নগাঁও বিশ্ববিদ্যালয়ৰ বিভাগীয় মুৰব্বী ড° কৰবী দেৱী, গুৱাহাটীৰ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ বিভাগীয় মুৰব্বী ড° উদিপ্ত তালুকদাৰ আৰু অসম জাতীয় বিদ্যালয়ৰ হিন্দী বিভাগৰ মুৰব্বী ৰঘুনাথ কুমাৰ।

সুকুমাৰ কলা বিভাগৰ শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী অনুষ্ঠিত হয় ১২ জুলাই তাৰিখে। বিদ্যালয়খনৰে বিভাগীয় শিক্ষক পূৰবী ৰাণী বড়া, জয়ন্ত ভৰালী আৰু ৰঞ্জীৱ গগৈয়ে সমল ব্যক্তি হিচাপে এই কাৰ্য্যসূচীত প্ৰশিক্ষণ প্ৰদান কৰে।

এই এজবেক শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচীৰ সমন্বয়কৰ দায়িত্বত আছিল অসম জাতীয় বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষক ধ্ৰুৱ শৰ্মা। এজবেকৰ দ্বাৰা পৰিচালিত আটাইকেইটা বিষয়ৰ এই শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচীত অসম জাতীয় বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, সচিব ডা° নাৰায়ণ শৰ্মা, শৈক্ষিক বিষয়া ৰোহিনী কুমাৰ গোস্বামী আৰু অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধি উপস্থিত থাকে। জাতীয় বিদ্যালয়ৰ সকলো শিক্ষক কৰ্মচাৰীয়ে এই কাৰ্য্যসূচীত আন্তৰিকতাৰে সহযোগ কৰে।

**(ডা° নাৰায়ণ শৰ্মা)**
**সচিব**
**অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ**
**নুনমাটি, গুৱাহাটী, অসম**